জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৭০/২০২৩**

<u>অসম গোৰ্খা সন্মিলনৰ ৫৭ সংখ্যক সন্মিলন দিৱসত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

## গোৰ্খাসকল অসমৰ সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ ঃ মুখ্যমন্ত্ৰী

## অসমৰ গোৰ্খাসকলৰ আশা-আকাংক্ষা পূৰণৰ দিশত ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

## এতিয়াৰে পৰা অসম গোৰ্খা সন্মিলনে গোৰ্খাসকলক অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ প্ৰদানৰ কৰ্তৃত্ব লাভ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ গড়পালত অনুষ্ঠিত অসম গোৰ্খা সন্মিলনৰ ৫৭ সংখ্যক সন্মিলন দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভূমিপুত্ৰ হিচাপে অসমৰ গোৰ্খাসকলৰ বিকাশৰ দিশত লোৱা ভূমিকাৰ বাবে অসম গোৰ্খা সন্মিলনক প্ৰশংসা কৰে। অসম গোৰ্খা সন্মিলনে প্ৰতিষ্ঠা কালৰে পৰা গোৰ্খা সম্প্ৰদায়ৰ উত্থানৰ দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গোৰ্খাসকল বৃহত্তৰ অসমীয়া জনগোষ্ঠীৰ এক অবিচ্ছেদ্য অংগ।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে ২০২১ চনত বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পিচৰে পৰা ৰাজ্যখনৰ গোৰ্খা সম্প্ৰদায়ৰ আশা-আকাংক্ষা পূৰণৰ দিশত আন্তৰিকতাৰে প্ৰয়াস চলাই আহিছে। ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থাৰ ফলত বিদেশী চিনাক্তকৰণৰ নামত অসমৰ গোৰ্খাসকলক কৰা হাৰাশাস্তিৰ বিষয়টো অন্ত পৰিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গোৰ্খাসকলৰ সামাজিক, অৰ্থনৈতিক সবলীকৰণৰ বাবে সুৰক্ষিত শ্ৰেণীকে ধৰি ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে এতিয়াৰে পৰা অসম গোৰ্খা সন্মিলনে গোৰ্খা জনগোষ্ঠীৰ যোগ্য সদস্যক অন্যান্য পিচপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ প্ৰদানৰ কৰ্তৃত্ব লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে নিৰ্দিষ্ট প'ৰ্টেলৰ জৰিয়তে গোৰ্খা প্ৰমাণপত্ৰ প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব আৰু এই পদক্ষেপে ৰাজ্যখনৰ গোৰ্খা যুৱক-যুৱতীসকলক ভাৰতীয় সশস্ত্ৰ বাহিনীত ভৰ্তি হোৱাৰ ক্ষেত্ৰত সহায়ক হৈ উঠিব।

মুখ্যমন্ত্ৰীয়ে গোৰ্খা নাগৰিক সমাজৰ সংগঠনসমূহক গোৰ্খা যুৱক-যুৱতীসকলৰ মাজত প্ৰগতিশীল মানসিকতা গঢ়ি তোলাৰ দিশত কাম কৰিবলৈ আহ্বান জনায়। নতুন আৰু পুনৰুজ্জীৱিত অসম তথা ভাৰতে আগবঢ়োৱা সুযোগসমূহৰ সৰ্বোত্তম ব্যৱহাৰৰ ক্ষেত্ৰত গোৰ্খাসকলে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীৰ সদস্যসকলৰ সৈতে হাতত হাত ধৰি খোজ কাঢ়িব লাগিব বুলিও তেওঁ কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে অসমৰ গোৰ্খাসকলক নিজৰ শিপাৰ পৰা বিচ্ছিন্ন নহ'বলৈ আৰু তেওঁলোকৰ বীৰত্বৰ গৌৰৱময় দিশসমূহৰ সুৰক্ষাৰ দিশত কাম কৰিবলৈও আহ্বান জনায়।

অসমৰ গোৰ্খাসকলৰ সৈতে জড়িত ৰাজ্যৰ অন্যতম গুৰুত্বপূৰ্ণ স্থান গড়পাল বুলি উল্লেখ কৰি গড়পাল এলেকাত অত্যাধুনিক মিনি ষ্টেডিয়াম আৰু আৰক্ষী আউট পোষ্ট নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

আজিৰ এই অনুষ্ঠানত দাৰ্জিলিং লোকসভা সমষ্টিৰ সদস্য ৰাজু বিষ্টা, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱলোচন দাস, ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক প্ৰমোদ বৰঠাকুৰ, গণেশ লিম্বু, গোবিন্দ বসুমতাৰী প্ৰমুখ্যে অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**অঃহঃ/পুঃডেঃ**
**২১/৪/২০২৩**